# অকঁনিহতঁৰ বাবে বাইবেলখন

আগবঢ়াইছে

## পুনৰুত্থানটি




লিখিছে: Edward Hughes
ব্যাখ্যা কৰিছে: Janie Forest
Alastair Paterson
গ্ৰহণ কৰিছে: Lyn Doerksen
অনুবাদ কৰিছে:
ডঃ শান্তি ৰাণী সিং, এম. এচ. চি. পি. এইচ. ডি.
প্ৰকাশ কৰিছে: Bible for Children
www.M1914.org

BFC
PO Box 3
Winnipeg, MB R3C 2G1
Canada



©2020 Bible for Children, Inc.
অনুমতি: এই কাহিনীটো নকল বা ছপা কৰা অধিকাৰ আপোনাৰ আছে, কিন্তু ইয়াক বিক্ৰী নকৰিব।




মহিলাগৰাকীয়ে হুলস্থূলীয় এক পৰিবেশত পাহাৰৰ ওচৰত থিয় দি করুন চকুজুৰীয়ে সেই নিৰ্ম্মম দৃশ্যটি লক্ষ্য কৰি আছিল। তাইৰ পুত্ৰই মৃত্যুবৰণ কৰি আছিল। মাতৃ গৰাকী মৰিয়ম আছিল, তাই সেই ঠাইৰ ওচৰত থিয় দি আছিল, য'ত যীচুক ক্ৰুচত গজাল মাৰা হৈছিল।




কিন্তু এই সকলো কেনেকৈ হবলৈ
পালে? ইমান এটি সুন্দৰ জীৱন
যীচুৰে কিদৰে ইমান নিৰ্দ্দয়ভাবে
শেষ কৰিব পাৰিলে? নিজৰ পুত্ৰক
ক্ৰুচত গজাল মাৰা
হৈ মৃত্যুবৰণ
কৰা অনুমতি
কিদৰে ঈশ্বৰে দিব
পাৰিলে? তেওঁ কোন
হয় এই ক্ষেত্ৰত যীচুৰে কিবা ভুল
কৰিছিল নেকি? ঈশ্বৰ
বিফল হৈছিল নেকি?
3


নাই, নহয়! ঈশ্বৰ বিফল
হোৱা নাছিল। যীচুৰে ভুল
কৰা নাছিল। প্ৰতি মূৰ্হূত্ততে
যীচুৰে জানিছিল দুষ্ট
লোকবিলাকে তেওঁক মৃত্যুদণ্ড
দিব। আনকি যীচু কেঁচুৱা
থাকোতে চিমিয়োন নামে
এজন বৃদ্ধলোকে মৰিয়মক
কৈছিল যে আগত থকা
দিনবোৰত দুখ আছে।
4


যীচুক বধ কৰা কিছুদিন আগতে
এগৰাকী মহিলাই আহি যীচুৰ
চৰণত সুগন্ধি দ্ৰব্য ঘঁহি দিছিল।
শিষ্যসকলে আপত্তি কৰিছিল
“এনে হানি কিয়”? যীচুৰে কৈছিল,
“তাই উত্তম কাম কৰিলে”, “মোক মৈদাম থোৱা
বাবে তাই এই কৰ্ম্ম কৰিলে”। কি আচৰিত এই বাক্যবোৰ!
5


ইয়াৰ পিছত যীচুৰ বাৰজন শিষ্যৰ
মাজৰ যিহূদা নামে এজনে ত্ৰিশ
টকা ৰূপত প্ৰধান পুৰোহিতৰ
হাতত প্ৰতাৰনা কৰি যীচুক
শোধাই দিবলৈ সন্মত হৈছিল।
6


নিস্তাৰ পৰ্ব্বৰ সময়ত, যীচুৰে তেওঁৰ
শিষ্যসকলৰ লগত শেষ ভোজন কৰিছিল।
তেওঁ শিষ্যসকলক ঈশ্বৰৰ প্ৰতিজ্ঞা আৰু
তেওঁক প্ৰেম কৰা সকলৰ প্ৰতি তেওঁৰ
প্ৰেমৰ বিষয়ে অতি আচৰিত কথাবোৰ
কৈছিল। তাৰ পিছত যীচুৰে তেওঁলোকক
ৰুটি আৰু পাণ-পাত্ৰ দি তেওঁলোকৰ
মাজত ভগাই খাবলৈ দিলে। ই
তেওঁলোকক সুঁৱৰাই দিব যে,
পাপ ক্ষমাৰ কাৰণে
যীচুৰ শৰীৰ আৰু
তেজ দিয়া হৈছিল।
7


তাৰ পিছত যীচুৰে তেওঁৰ বন্ধুসকলক কৈছিল যে, তেওঁক প্ৰতাৰণা
কৰা হ’ব, আৰু তেওঁলোকে পলাই যাব। পিতৰে দৃঢ়তাৰে কৈছিল, “মই
পলাই নাযাওঁ”। যীচুৰে কৈছিল, “কুকৰাই ডাক দিয়াৰ আগতে, তুমি
তিনিবাৰ মোক আসৈ মাতিবা”।
8



সেই ৰাতিয়ে যীচুৱে গেৎচিমানী বাৰীত প্ৰাৰ্থনা কৰিবলৈ গৈছিল। তেওঁৰ লগত থকা শিষ্যসকল টোপনি গৈছিল। যীচুৱে প্ৰাৰ্থনা কৰিছিল, "... এই পান-পাত্ৰ মোৰ ওচৰৰ পৰা দূৰ কৰা; তথাপি মোৰ ইচ্ছা নহয়, তোমাৰেই ইচ্ছা সিদ্ধ হওক"।

9

হঠাতে যিহূদাৰ নেতৃত্বত এদল লোক বাৰীলৈ সোমাই আহিছিল। যীচুৱে প্ৰতিবাদ কৰা নাছিল, কিন্তু পিতৰে এজন মানুহৰ কাণ কাটি দিছিল। কোনো কথা নোকোৱাকৈ যীচুৱে মানুহজনৰ কাণখন স্পৰ্শ কৰি সুস্থ কৰি দিছিল। যীচুৱে জানিছিল যে তেওঁক বন্দী কৰাটোও ঈশ্বৰৰ ইচ্ছাৰ এটি অংশ।



10

সেইদলৰ লোকে যীচুক প্ৰধান পুৰোহিতৰ ঘৰলৈ লৈ গৈছিল। তাত যিহূদী চলাওঁতাসকলে কৈছিল যে, যীচু মৰিব লাগিব। দাস দাসীসকলৰ জুইৰ ওচৰত থিয় দি পিতৰে চাই আছিল। পিতৰলৈ লক্ষ্য কৰি তিনিবাৰ লোকসকলে কৈছিল যে, "তুমিও যীচুৰ লগত আছিলা"। ঠিক যীচুয়ে কোৱাৰ দৰেই তিনিবাৰেই পিতৰে অস্বীকাৰ কৰিছিল। পিতৰে আনকি অভিশাপ দি গালিও দিছিল।



11



ঠিক সেই সময়তে কুকৰাই ডাক দিলে। পিতৰলৈ ই যেন ঈশ্বৰৰ কণ্ঠস্বৰ আছিল। যীচুৰ কথা সুঁৱৰণ কৰি পিতৰে শোকেৰে ক্ৰন্দন কৰিলে।

12



যিহূদাও অনুতপ্ত হৈছিল। তেওঁ জানিছিল যে যীচু কোনো ধৰণৰ পাপ বা অপৰাধৰ দোষী নাছিল। যিহূদাই ৩০ টা ৰূপৰ মুদ্ৰা পুৰোহিতসকলৰ ওচৰলৈ লৈ গৈছিল, কিন্তু তেওঁলোকে সেইটো নললে। যিহূদাই পইচাখিনি পেলাই দিলে, আৰু বাহিৰলৈ ওলাই গৈ নিজকে ফাঁচী দিলে।

13



পুৰুহিতসকলে যীচুক ৰোমৰ গৰ্ভনৰ পীলাতৰ ওচৰলৈ আনিলে। পীলাতে ক'লে, "মই হলে তেওঁত একো দোষ পোৱা নাই"। কিন্তু লোকবিলাকে আটাহ পাৰিব ধৰিলে তাক ক্ৰুচত দিয়ক! তাক ক্ৰুচত দিয়ক!"

14

অৱশেষত পীলাতে মান্তি হ'ল, আৰু ক্ৰুচীয় মৃত্যুৰে যীচুক দণ্ড দিলে। সৈন্যসকলে যীচুক ভুকুৱালে, তেওঁৰ মুখত থু পেলালে আৰু তেওঁক চাবুকেৰে কোবালে। দীঘল জোঙা কাঁইটেৰে এটি কিৰিটি সাজি হেঁচা মাৰি তাক যীচুৰ মূৰত সোমাই দিছিল। তাৰ পিছত যীচুক কাঠৰ ক্ৰুচত গজালেৰে বিন্ধি মৃত্যুবৰণ কৰিবলৈ দিলে।



15

যীচুৱে প্ৰতিটো মূৰ্হূত্ততে জানিছোঁ যে সেইদৰেই তেওঁৰ মৃত্যু হ'ব। তেওঁ এইটোও জানিছিল যে, তেওঁক বিশ্বাস কৰা জনৰ কাৰণে তেওঁৰ মৃত্যুৱে তেওঁলোকৰ পাপ ক্ষমা কৰি দিব। দুজন চোৰক যীচুৰ দুয়ো কাষে ক্ৰুচত দিয়া হৈছিল। এজনে যীচুত বিশ্বাস কৰি পৰম দেশলৈ গৈছিল। আন জন নগ'ল।



16

কেইবা ঘণ্টাও যাতনাত কষ্ট পোৱাৰ পিছত, যীচুৱে "সিদ্ধ হ'ল" বুলি কৈ মৃত্যুবৰণ কৰিলে। তেওঁৰ কাম সম্পূৰ্ণ হৈছিল। এটি ব্যক্তিগত মৈদামত তেওঁৰ বন্ধুসকলে তেওঁক সমাধিস্থ কৰিলে।



17

ৰোমান সৈন্যসকলে মৈদামখনত মোহৰ মাৰি পহাৰা দিলে। কোনো ভিতৰলৈ সোমাব-বা-বাহিৰলৈ ওলাব নোৱাৰিব।



18

যদি ইয়ে কাহিণীৰ শেষ হ'লহেতেঁন, ই কিমান দুখজনক হ'লহেতেঁন। কিন্তু ঈশ্বৰে কিবা এটা বৰ আচৰিত কাম কৰিলে। যীচু মৃত অৱস্থাতে নেথাকিল!



19

সপ্তাহৰ প্ৰথম দিনা অতি দোকমোকালিতে, যীচুৰ কেইগৰাকীমান শিষ্যই মৈদামৰ পৰা শিলচটা বগৰাই থোৱা দেখিলে। যেতিয়া তেওঁলোকে ভিতৰলৈ চালে, তেতিয়া তেওঁলোকে যীচুক দেখা নাপালে।



20



এগৰাকী মহিলাই উচুপি উচুপি মৈদামৰ কাষত থিয় দি আছিল। যীচুৱে তাইৰ আগত দেখা দিলে! আন শিষ্যসকলক এই খবৰ দিবলৈ তাই তাতলিকে লৰ মাৰি গল।

**"যীচু জীৱিত! যীচু মৃতবিলাকৰ মাজৰ পৰা উভতি আহিল!"**





অতি সোনকালে যীচু তেওঁৰ শিষ্যসকলৰ ওচৰলৈ আহি তেওঁৰ হাতত থকা গজালৰ ঘাঁবোৰ দেখুৱালে। ই সত্য আছিল। যীচু আকৌ জীৱিত হ'ল! তেওঁক অস্বীকাৰ কৰা কাৰণে তেওঁ পিতৰক ক্ষমা কৰিলে, আৰু সকলোৱে তেওঁৰ বিষয়ে প্ৰচাৰ কৰিবলৈ তেওঁ শিষ্যসকলক ক'লে। তাৰ পিছত তেওঁ স্বৰ্গলৈ উভতি গ'ল য'ৰ পৰা তেওঁ সেই প্ৰথম বৰদিনত আহিছিল।



পুনৰুত্থানটি

ঈশ্বৰৰ বাক্য, বাইবেলত

এই কাহিনী পোৱা যায়

মথি ২৬ – ২৮, লূক ২২ – ২৪,
যোহন ১৩ – ২১ অধ্যায়।

"তোমাৰ বাক্য প্ৰকাশে দীপ্তি দিয়ে।"
গীতমালা ১১৯:১৩০ পদ





# সমাপ্ত

54 60



বাইবেলৰ এই কাহিনীয়ে আমাক আমাৰ আশ্চৰ্য্যজনক ঈশ্বৰৰ বিষয়ে কয়, যিজনাই আমাক নিৰ্ম্মাণ কৰিলে আৰু যি জনাই আমি তেওঁৰ বিষয়ে জনাতো বাঞ্চা কৰে।

ঈশ্বৰে জানে যে আমি বেয়া কাম কৰিলো, যাক তেওঁ পাপ বুলি আখ্যা দিছে। পাপৰ শাস্তি হৈছে মৃত্যু, কিন্তু ঈশ্বৰে তোমাক ইমান প্ৰেম কৰে যে, তেওঁ নিজৰ একমাত্ৰ পুত্ৰ যীচুক পঠাই দিছিল, যাতে তেওঁ তোমাৰ পাপৰ কাৰণে শাস্তি পাই ক্ৰুচত মৃত্যু বৰণ কৰে। তাৰ পিছত যীচু জীৱিত হ'ল আৰু তেওঁৰ ঘৰ স্বৰ্গলৈ গ'ল। তুমি যদি যীচুত বিশ্বাস কৰা আৰু তোমাৰ পাপবোৰ ক্ষমা কৰিবলৈ কোৱা, তেতিয়া তেওঁ নিশ্চয়ে কৰিব! তেওঁ এতিয়াই আহি তোমাত নিবাস কৰিব, আৰু তুমি চিৰকাল তেওঁৰ লগত নিবাস কৰিবা।

তুমি যদি এই সত্যত বিশ্বাস কৰা, তেতিয়া ঈশ্বৰক এইদৰে কোৱা:
প্ৰিয় যীচু, মই বিশ্বাস কৰো যে, আপুনি ঈশ্বৰ, মোৰ পাপৰ কাৰণে মৃত্যু বৰণ কৰিবলৈ আপুনি মানুহৰ ৰূপ ধাৰণ কৰিলে, আৰু এতিয়া আপুনি আকৌ জীৱিত। মোৰ জীৱনলৈ আহঁক আৰু মোৰ পাপবোৰ ক্ষমা কৰক, যাতে এতিয়া মই নতুন জীৱন পাব পাৰো, আৰু এদিন চিৰদিনৰ কাৰণে আপোনাৰ লগত থাকিবলৈ আপোনাৰ ওচৰলৈ যাব পাৰো। আপোনাৰ বাধ্য হৈ আপোনাৰ সন্তানৰ দৰে আপোনাৰ কাৰণে জীয়াই থাকিবলৈ মোক সহায় কৰক। আমেন।

বাইবেলখন পঢ়া আৰু প্ৰতিদিনে ঈশ্বৰৰ লগত কথোপকথন কৰা!
যোহন ৩:১৬ পদ।